SPM & LALAN'S
COACHING FOR SUCCESS

Total No. of Printed Pages : 11

572829

**Subject Code : 01**

# 2025

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 100
*Pass Marks* : 30

*Time : 3 hours*

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত **GROUP - A** (বিভাগ - ক) আৰু **GROUP - B** (বিভাগ - খ)-ৰ উত্তৰ কৰিব লাগিব।

নাইবা

**GROUP - A** (বিভাগ - ক) আৰু **GROUP - C** (বিভাগ - গ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।

SPM & LALAN'S
COACHING FOR SUCCESS

## GROUP - A

### (বিভাগ - ক)

### (মূল্যাংক ঃ ৭৫)

১. অতি চমু উত্তৰ লিখা ঃ ১x২=২

(ক) ইন্ফচিচ কোম্পানীৰ প্ৰতিষ্ঠাপক কোন ?

(খ) কিহে অসমীয়া জাতিক অধিক কট্‌কটীয়া কৰিলে ?

২. চমু উত্তৰ লিখা (**যিকোনো দুটা**) ঃ ২x২=৪

(ক) বিজিতে ছাৰক উদ্যোগী সম্পৰ্কে কি কৈছিল ?

(খ) "সাধাৰণতে সকলো আৰ্টৰ মূলতে দুটা বিপৰীত পন্থাই কাম কৰা দেখা যায়" - পাঠৰ সহায়ত বুজাই লিখা।

(গ) অসমৰ পুৰণি সাহিত্যৰ সমলবোৰ কি কি ?

৩. উত্তৰ লিখা ঃ ৪

(ক) ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগী হিচাপে মানসিকভাৱে প্ৰস্তুত কৰি ৰাখিবলৈ কি কি কৰিব পৰা যায় ?

**নাইবা**

(খ) 'সভ্যতা আৰু সংস্কৃতি' শব্দ দুটাৰ মাজৰ পাৰ্থক্য বিচাৰ কৰা।

৪. অতি চমু উত্তৰ লিখা ঃ ১x২=২

(ক) 'ইণ্টাৰনেটৰ তিতা-মিঠা' পাঠটিৰ লেখক কোন ?

(খ) অৰুণিমা সিন্‌হাৰ ঘৰ ক'ত আছিল ?

SPM & LALAN'S
COACHING FOR SUCCESS

৫. চমু উত্তৰ লিখা ঃ ২

অৰুণিমা সিন্‌হাই কিয় লাডাখত থকা মাউণ্ট চামছেৰ কাংৰিৰ অভিযান সম্পূৰ্ণ কৰিব নোৱাৰিলে ?

৬. উত্তৰ লিখা ঃ ৪

(ক) ইণ্টাৰনেটৰ সহায়ত কুঁৱলীয়ে কি কি নতুন অভিজ্ঞতা আহৰণ কৰিলে ?

নাইবা

(খ) অৰুণিমাৰ সপোন পূৰণ কৰাৰ ক্ষেত্ৰত বাচেন্দ্ৰি পালে কেনেদৰে সহায় কৰিছিল ?

৭. অতি চমু উত্তৰ লিখা ঃ ১x২=২

(ক) পল কোন শ্ৰেণীত পঢ়ে ?

(খ) লেখকে ইৰাণলৈ কি দায়িত্ব লৈ গৈছিল ?

৮. জাগ্ৰছ পৰ্বতমালাৰ বিষয়ে তোমাৰ পাঠ্য পুথিৰ সহায়ত লিখা। ২

৯. (ক) কাজিৰঙালৈ যাবলৈ ওলাওঁতে পাহি আৰু পলক মাক আৰু দেউতাকে কি উপদেশ দিছিল ? ৩

নাইবা

(খ) বেহেষ্ট - ই - জাহাৰাৰ লগত টেহৰাণবাসীৰ সম্পৰ্কৰ বিষয়ে লিখা।

১০. অতি চমু উত্তৰ লিখা ঃ ১x২=২

(ক) তোমাৰ পাঠ্যপুথিৰ বৰগীতটি কোনে ৰচনা কৰা ?

(খ) আজান ফকিৰৰ আচল নাম কি আছিল ?

১১. চমু উত্তৰ লিখা ঃ ২x২=৪

(ক) ব্ৰজাৱলী ভাষাৰ বিষয়ে এটি টোকা লিখা।

(খ) 'ৰহমৰ গিৰিহঁত' শব্দ দুটাই কি বুজাইছে ?

SPM & LALAN'S
COACHING FOR SUCCESS

১২. তোমাৰ চৰণ দুই মোৰ মহা ধন। ৩

ভকত জনেৰ নিজ তুমিসে জীৱন।।

— কবিতাফাকিৰ অন্তৰ্নিহিত ভাৱটি লিখা।

১৩. অতি চমু উত্তৰ লিখা ঃ ১x৩=৩

(ক) প্ৰশস্তিৰ অৰ্থ কি ?

(খ) অসমৰ স্বৰ্গদেৱে কিহেৰে দেউল সাজিছিল ?

(গ) কবিয়ে কোন সময়ত মানুহজনক লগ পাইছিল ?

১৪. 'মই অসমীয়া' কবিতাটোত অসমৰ প্ৰকৃতিৰ বিনন্দীয়া ৰূপ কিদৰে প্ৰতিফলিত হৈছে বুজাই লিখা। ২

১৫. উত্তৰ লিখা ঃ ৪

(ক) 'মই অসমীয়া' কবিতাটোত কবিয়ে অসমীয়া জাতিৰ বীৰত্ব আৰু পৰাক্ৰমক কিয় প্ৰশংসা কৰিছে, তোমাৰ কথাৰে বুজাই লিখা।

নাইবা

(খ) 'দৃশ্যান্তৰ' কবিতাটোৰ মূলভাৱ লিখা।

১৬. (ক) তলৰ **যিকোনো এটাৰ** ব্যাসবাক্যসহ সমাসৰ নাম লিখা ঃ ১

ৰামলক্ষ্মণ, নৰৰত্ন, হাঁহিমুখ

(খ) তলৰ **যিকোনো এটা** শব্দৰ সন্ধি ভাঙা ঃ ১

উচ্চাৰণ, নাৱিক, মহোদয়

(গ) তলত দিয়া বাক্যটি সৰল বাক্যলৈ পৰিৱৰ্তন কৰা ঃ ১

পৃথিৱী যে ঘূৰণীয়া হয়, সেইটো সকলোৱে জানে।

SPM & LALAN'S
COACHING FOR SUCCESS

(ঘ) তলত দিয়া **যিকোনো এটা** শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা ঃ ১

ৰাৱণ, কাৰণ, দুষ্ট

(ঙ) যথাস্থানত যতি চিহ্ন বহুওৱা ঃ ১

শিক্ষকে ক'লে অংক কেইটা ঘৰত কৰি আনিবা

(চ) তলৰ **যিকোনো এটাৰ** অৰ্থ প্ৰকাশ হোৱাকৈ **এটি** বাক্য-ৰচনা কৰা ঃ ১

ডলাৰ বগৰী, ভাত ঘৰ, মূৰে কপালে হাত দিয়া।

(ছ) তলৰ **যিকোনো এটা** শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা ঃ ১

আদৰ, উচিত, চিনাকি

(জ) এটা শব্দত প্ৰকাশ কৰা **(যিকোনো এটা)** ঃ ১

যাৰ সৰুতে মাক-বাপেক মৰিছে, যি সদায় ঘূৰি ফুৰে, যি কথাৰ অৰ্থ নাই।

(ঝ) তলত দিয়া **যিকোনো এটা** শব্দৰ প্ৰত্যয় ভাঙি দেখুওৱা ঃ ১

নাৱৰীয়া, ফুলনি, ৰান্ধনি।

(ঞ) তলৰ **যিকোনো এটা** শব্দৰ সমাৰ্থক শব্দ লিখা ঃ ১

এন্ধাৰ, তনয়, স্বামী।

১৭. তলৰ **যিকোনো এটা** প্ৰশ্নৰ উত্তৰ লিখা ঃ ৪

(ক) ভাব-সম্প্ৰসাৰণ কৰা ঃ

কথাত বঁটা পায়, কথাত কটা যায়।

(খ) তুমি শ্ৰেণী কোঠাত থাকোঁতে হঠাৎ মূৰৰ বিষত ভুগিব লগা হোৱাৰ বাবে বিদ্যালয়ৰ পৰা অৰ্ধ-ছুটী বিচাৰি শ্ৰেণী শিক্ষকৰ জৰিয়তে বিদ্যালয় প্ৰধানলৈ এখন আবেদন পত্ৰ লিখা।
(আবেদনত তোমাৰ নাম, ঠিকনা উল্লেখ নকৰিবা)

(গ) তোমাৰ অঞ্চলৰ বাট-পথ, দলং আদি নষ্ট হোৱাত সেইবোৰৰ মেৰামতিৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি বাতৰি কাকতৰ সম্পাদকলৈ এখন প্ৰতিবেদন লিখা।

SPM & LALAN'S
COACHING FOR SUCCESS

১৮. তলৰ যিকোনো এটা বিষয়ৰ ওপৰত এখনি ৰচনা লিখা ঃ ৮

(ক) ছাত্ৰ-ছাত্ৰী আৰু সমাজসেৱা

(আৰম্ভণি - সমাজ সেৱাৰ আৱশ্যকতা - ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব - সামৰণি)

(খ) পৰিৱেশ প্ৰদূষণ

(আৰম্ভণি - পৰিৱেশ প্ৰদূষণৰ কাৰণ - প্ৰতিকাৰ - সামৰণি)

(গ) ক্ষুদ্ৰ সঞ্চয়

(আৰম্ভণি - ক্ষুদ্ৰ সঞ্চয়ৰ উপকাৰিতা - ক্ষুদ্ৰ সঞ্চয় ব্যৱস্থা - সামৰণি)

১৯. 'বৈচিত্ৰ্যময় অসম' নামৰ দ্ৰুতপাঠত সন্নিৱিষ্ট যিকোনো দুটা জনগোষ্ঠীৰ বিশেষভাৱে বৰঙণি যোগোৱা একোজনকৈ ব্যক্তিৰ বিষয়ে চমু টোকা লিখা। ২x২=৪

২০. তোমাৰ দ্ৰুতপাঠত সন্নিৱিষ্ট অসমৰ যিকোনো এটা জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ সম্পৰ্কে চমুকৈ লিখা। ২

২১. তলত দিয়া গদ্যাংশৰ মূলভাৱ লিখা ঃ ৪

চৰিত্ৰবান মানুহ পবিত্ৰ জলৰ নিচিনা। সিহঁত নিজেও পবিত্ৰ আৰু আনকো পবিত্ৰ কৰে। চৰিত্ৰৱন্ত মানুহক চৰিত্ৰহীন মানুহে পেটে পেটে ভয় কৰে আৰু সিহঁতৰ আগত বেয়া কাম কৰিবলৈ সংকোচ বোধ কৰে। ধন আৰু বিদ্যালয়ৰ পৰা মানুহে ক্ষমতা লাভ কৰে, কিন্তু চৰিত্ৰৰ পৰা মহত্বপ্ৰাপ্ত হয়। কু-চৰিত্ৰই মানুহক পশুত্বলৈ নমায়; কিন্তু সুচৰিত্ৰই দেৱত্বলৈ তোলে। সুচৰিত্ৰ মনুষ্যত্বৰ সাৰ, এতেকে সি উন্নতিৰ মেৰুদণ্ডৰ নিচিনা।

SPM & LALAN'S
COACHING FOR SUCCESS

## GROUP - B

## (বিভাগ - খ)

(মূল্যাংক ঃ ২৫)

২২. অতি চমু উত্তৰ লিখা ঃ ১

নালন্দা বিশ্ববিদ্যালয়ৰ ন তলীয়া পুথিভঁৰালটোৰ নাম কি আছিল ?

২৩. চমু উত্তৰ লিখা ঃ **(যিকোনো এটা)** ২

(ক) শ্ৰীধান্যকটক বিশ্ববিদ্যালয়ৰ বিষয়ে চমুটোকা লিখা।

(খ) সেনাপতি ভীষ্মৰ যুদ্ধোৎসৱ দেখি কি কি ৰণবাদ্যৰ মহাশব্দ হৈছিল ?

২৪. উত্তৰ লিখা ঃ ৪

প্ৰাচীন কালৰ ভাৰতবৰ্ষৰ বিখ্যাত শিক্ষাকেন্দ্ৰ তক্ষশীলা বিশ্ববিদ্যালয়ৰ বিষয়ে তোমাৰ পাঠ্যপুথিৰ আলমত লিখা।

**নহ'বা**

অৰ্জুনে যুদ্ধক্ষেত্ৰলৈ গৈ কাক কাক দেখা পালে আৰু তেওঁলোকক দেখা পাই শ্ৰীকৃষ্ণক কি ক'লে তোমাৰ নিজৰ ভাষাৰে লিখা।

২৫. অতি চমু উত্তৰ লিখা ঃ ১

অসমীয়া কোনজন সাহিত্যিকক 'অসম কেশৰী' আখ্যা দিয়া হৈছে ?

২৬. ধৰ ঝাড়ু ধৰ ভাই ২

আৰু চাবৰ সময় নাই -

— তাৎপৰ্য বুজাই লিখা।

**নহ'বা**

কপিল মুনিৰ চমু পৰিচয় দিয়া।

SPM & LALAN'S
COACHING FOR SUCCESS

২৭. 'ধৰ ঝাড়ু ধৰ ভাই' - কবিতাটোৰ মাজেৰে কবি ৰায়চৌধুৰীদেৱৰ স্বদেশপ্ৰেমৰ ভাব কিদৰে প্ৰকাশ পাইছে লিখা। ৪

নাইবা

"মোহিনী স্বৰূপে, অমৃত পিয়ালো
সাধিলো দেৱৰ কাম," — কোনে মোহিনী ৰূপ ধাৰণ কৰিছিল ? তেওঁ কাক অমৃত খুৱাই দেৱতাৰ কাৰ্য সাধন কৰিছিল; খৰচি মাৰি লিখা।

২৮. (ক) তলৰ বাক্যটি শুদ্ধকৈ লিখা ঃ ১

তোমাৰ দেউতা ঘৰত আছেনে ?

(খ) 'পৰা' উপসৰ্গ ব্যৱহাৰ কৰি এটা শুদ্ধ বাক্য লিখা। ১

(গ) খালী ঠাইত উপযুক্ত অনুসৰ্গ বহুওৱা ঃ ১

তুমি ____________ স্কুললৈ নগ'লা।

(ঘ) তলত দিয়া **যিকোনো এটাৰ** সমাৰ্থক শব্দ লিখা ঃ ১

মিত্ৰ, কন্যা।

(ঙ) তলত দিয়া **যিকোনো এটা** শব্দৰ আধুনিক ৰূপ লিখা ঃ ১

তাসম্বাক, ৰজনী।

(চ) তলত দিয়া **যিকোনো এটা** শব্দৰ বিপৰীত শব্দ লিখা ঃ ১

স্বদেশ, সুবিধা।

(ছ) তলত দিয়া **যিকোনো এটা** শব্দৰ বিপৰীত লিংগ লিখা ঃ ১

ল'ৰা, দেউতা।

২৯. তলত দিয়া **যিকোনো দুটা** ছন্দৰ সূত্ৰ লিখি উদাহৰণ দিয়া ঃ ২x২=৪

কুসুমমালা, লেচাৰি, পয়াৰ।

SPM & LALAN'S
COACHING FOR SUCCESS

## GROUP - C

(বিভাগ - গ)

(মূল্যাংক ঃ ২৫)

1. Translate **any one** of the following into your mother language : **1x4=4**

তলৰ যিকোনো এটা তোমাৰ মাতৃভাষালৈ অনুবাদ কৰা ঃ

(a) पुन: एकदा कश्चन कुक्कुर: तत्र आगतवान्। तत: स मार्जार: कुक्कुरं दृष्ट्वा पलायितवान्। तत: मुनि: मार्जारमपि तप: प्रभावेन कुक्कुरं कृतवान्।

(b) राम: अयोध्याया: राजा। एषा नन्दिन्या: लेखनी। वृक्षस्य शाखानां कर्तनं न कुरु। अहं भारतवर्षस्य नागरिक:।

(c) नैव महोदय:। राघव: अनुपस्थित: अस्ति। स: मात्रा सह मातुलस्य गृहं गतवान्।

2. Answer **any one** of the following : **1x2=2**

তলৰ যিকোনো এটাৰ উত্তৰ লিখা ঃ

(a) What are the importance of sports in student life ?

ছাত্ৰজীৱনত ক্ৰীড়াৰ আৱশ্যকতা কি ?

(b) Write the name of four sections of हितोपदेश:।

হিতোপদেশৰ চাৰিটা ভাগৰ নাম লিখা।

3. Fill in the blanks in following verse with appropriate words : **1x3=3**

উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰা ঃ

__________ पुन: पुनरपि प्रतिहन्यमाना:।
__________ च उत्तमजना: न __________।

**OR / নাইবা**

__________ लोकं जयति __________ दीनताम्।
गुरुन् शुश्रूषया जीयाद्धनुषा एव __________।

SPM & LALAN'S
COACHING FOR SUCCESS

**4.** Answer the following questions in Sanskrit : **1x3=3**

তলৰ প্ৰশ্নবোৰৰ উত্তৰ সংস্কৃতত লিখা ঃ

(a) कक्षायां कः अनुपस्थितः अस्ति ?

(b) मनोजः किं विषयं ज्ञातुमिच्छति ?

(c) विनोदनाटके काः अंशग्रहणं कुर्वन्ति ?

**OR / নাইবা**

Write the Sanskrit Synonyms of **any three** of the following words :

তলৰ শব্দবোৰৰ **যিকোনো তিনিটাৰ** সংস্কৃত প্ৰতিশব্দ লিখা ঃ

चित्राणि, सभायाः, सखिभिः, विषयं

**5.** Match the following words of **Group-A** with the words of **Group-B** : **1x3=3**

তলত দিয়া 'ক' অংশৰ শব্দবোৰ 'খ' অংশৰ সৈতে মিলোৱা ঃ

| **Group-A / অংশ-'ক'** | **Group-B / অংশ-'খ'** |
|---|---|
| एका | नाटकम् |
| एकं | सह |
| सखिभिः | वार्त्ता |

**6.** (a) Derive **any two** of the following words : **1½x2=3**

তলৰ **যিকোনো দুটা** শব্দৰ ব্যুৎপত্তি লিখা ঃ

(i) 'कृतवान्' in Q.no. 1. (a)

1 নং (a) প্ৰশ্নত 'कृतवान्'

(ii) 'अस्ति' in Q.no. 1. (c)

1 নং (c) প্ৰশ্নত 'अस्ति'

(iii) 'कुरु' in Q.no. 1. (b)

1 নং (b) প্ৰশ্নত 'कुरु'

(iv) 'गतवान्' in Q.no. 1. (c)

1 নং (c) প্ৰশ্নত 'गतवान्'

SPM & LALAN'S
COACHING FOR SUCCESS

(b) Decline **any two** of the following words : 1x2=2

তলৰ যিকোনো দুটাৰ শব্দৰূপ লিখা ঃ

(i) 'अस्मद्' in 2nd case ending Singular

'अस्मद्' দ্বিতীয়া বিভক্তি একবচনত

(ii) 'राजन्' in 5th case ending Dual

'राजन्' পঞ্চমী বিভক্তি দ্বিবচনত

(iii) 'पितृ' in 7th case ending Plural

'पितृ' সপ্তমী বিভক্তি বহুবচনত

(iv) 'सखि' in 3rd case ending Singular

'सखि' তৃতীয়া বিভক্তি একবচনত

(c) Conjugate **any two** of the following : 1x2=2

তলৰ যিকোনো দুটাৰ ধাতুৰূপ লিখা ঃ

(i) √कृ + लृट् स्यामि

(ii) √अस् + लोट् तु

(iii) √विद् + लङ् द्

(iv) √हन् + लट् अन्ति

(d) Change **any three** from noun to adjective from the following : 1x3=3

তলৰ যিকোনো তিনিটাৰ বিশেষ্যৰ পৰা বিশেষণ পদ গঠন কৰা ঃ

दिनम्, शिक्षा, अतिथिः, अधुना

-o 0 o -